بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ বাণীৰ আধাৰত ন্যায় কাৰ্য,হিত সাধন আৰু পৰহিতৈষীৰ গভীৰ তত্ত্ব সম্বলিত বৰ্ণনা আৰু পাকিস্তানৰ আহমদী সকলৰ নিমিত্তে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৫ মে ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা নহলৰ আয়াত **ইন্নাল্লাহা ইয়ামুৰু বিলআদলি ওৱালএহছানি ওৱা ইতায়িজিল কুৰবা ওৱা ইয়ানহা আনিল ফাহশ্বায়ি ওৱালমুনকাৰি ওৱালবাগি ইয়াইজিকুম লাআল্লাকুম তাজাক্কাৰুন** পঢ়ি শুনাই হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত আয়াতৰ অনুবাদ বৰ্ণনা কৰে যে নিশ্চয় আল্লাহ তা'লা ন্যায় কাৰ্য্য, হিত সাধন আৰু পৰহিতৈষী আৰু আত্মীয়-স্বজনক দান কৰিবলৈ আদেশ দিছে আৰু অসৎ কাৰ্য্য,দুৰাচাৰ আৰু বিদ্ৰোহ আদি নিষধ কৰিছে। সি তোমালোকক ইয়াকে উপদেশ দিছে, তোমালোকে যেন সেয়া গ্ৰহণ কৰি লোৱা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই আয়াত প্ৰত্যেক জুমাৰ দিনা আৰু প্ৰত্যেক ঈদৰ দ্বিতীয় খোতবাত পঢ়া হয়। এই আয়াতত কিছুমান সৎ কাৰ্য কৰিবলৈ আৰু কিছুমান অসৎ কাৰ্যৰ পৰা দূৰত থকাৰ বিষয়ে উল্লেখ কৰিছে। প্ৰকৃত মোমিনৰ লক্ষণাৱলী হ'ল এয়া যে তেওঁলোকে আল্লাহ তা'লাৰ আদেশ নিষেধৰ ওপৰত আমল কৰে। উক্ত আয়াতত যিবিলাক সজ কামৰ উল্লেখ কৰা হৈছে অৰ্থাৎ ন্যায়,পৰহিতৈষী, আত্মীয়-স্বজনৰ প্ৰতি সহানুভূতি, এই বিষয় সমূহৰ ওপৰত আজি মই হজৰত মছীহ মাওউদ (আঃ)ৰ লিখনী সমূহ উল্লেখ কৰিম। এই সকলোবোৰ বৰ্ণনা সাধাৰণতে এটা বিন্দুত কেন্দ্ৰীভূত হৈ থকা দেখা যায় যদিও তেখেত (আঃ)য়ে সেইবোৰ বিভিন্ন ধাৰাত উপদেশ হিচাপে আগবঢ়াইছে।

এই উপদেশবোৰে আমাক পথ-প্ৰদৰ্শন কৰিছে। যদি আমি এই বাণী সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰো আৰু সেইবোৰ নিৰ্দেশ অনুযায়ী জীৱন পৰিচালিত কৰো  তেন্তে নিশ্চয় আমি আল্লাহ তা'লাৰ সৈতে দৃঢ় সম্পৰ্ক গঢ়ি

তুলিব পাৰিম আৰু এজনে আনজনৰ অধিকাৰ সুপ্ৰসন্ন ভাৱে আদায় কৰিব পৰা যাব।

হকুকুল্লাহ আৰু হকুকুল ইবাদ আদায় কৰাই একমাত্ৰ সেই উপায়, যিয়ে সমাজত আৰু গোটেই বিশ্বত শান্তি বিৰাজ কৰাৰ জামিন ল'ব পাৰে। কিন্তু পৰিতাপৰ বিষয় হ'ল এয়া যে জগতবাসীয়ে এই ফালে কোনো মনোযোগ নিদিয়ে; বৰং সেয়া মুছলিম দেশবোৰেই হওঁক নাইবা বাকী দেশবোৰেই হওঁক, সকলোতেই এজনে আনজনৰ প্ৰাপ্য অধিকাৰ খৰ্ব কৰাৰ চেষ্টাত লাগি আছে। এনে পৰিস্থিতিত হজৰত মছীহ মাওউদ (আঃ)ৰ মান্যকাৰী সকলৰ দায়িত্ব হ'ল যে তেওঁলোকে নিজৰ সংশোধনেৰে জগতবাসীক সেইফালে আকৰ্ষিত কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে তোমালোকলৈ খোদা তা'লাৰ আদেশ হ'ল এয়া যে তোমালোকে তাৰ সৈতে আৰু তাৰ সৃষ্টিৰ সৈতে ন্যায় আচৰণ কৰা অৰ্থাৎ আল্লাহৰ হ'ক আৰু হকুকুল ইবাদ আদায় কৰা আৰু যদি ইয়াতকৈ বেছি কিবা কৰিব পাৰা তেন্তে কেৱল ন্যায় বিচাৰ নহয় বৰং পৰহিতৈষী আৰু দয়ালু আচৰণ প্ৰদৰ্শন কৰা। অৰ্থাৎ ফৰজ ইবাদত কৰা যেনিবা তুমি খোদা তা'লাক দৰ্শন কৰি আছা।

মানুহৰ সৈতে অধিকাৰতকৈ বেছি সহানুভূতিশীল আচৰণ কৰা আৰু যদি ইয়াতকৈ বেছি সম্ভৱ তেন্তে উদ্দেশ্যবিহীন ভাৱে নিজৰ স্বাৰ্থ ত্যাগ কৰি আল্লাহৰ ইবাদত কৰা আৰু আল্লাহৰ সৃষ্টি জীৱৰ খিদমত কৰা যেনেকৈ কোনোবাই আত্মীয়তাৰ আকৰ্ষণত কৰি থাকে।

আকৌ এই আয়াতৰ আধাৰত খোদা তা'লাৰ হ'ক সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়াওঁতে তেখেত (আঃ)য়ে কৈছে যেনেকৈ কোৱা হৈছে যে প্ৰকৃততে খোদাৰ বাহিৰে কোনো উপাস্য নাই,বা উপাসনাৰ যোগ্য নহয়, কোনেও তাৰ সমান ভালপোৱাৰ যোগ্য নহয়, কোনেও তাৰ সমান নিৰ্ভৰ যোগ্য নহয় কাৰণ সৃজন শীলতা আৰু চিৰঞ্জীৱ আৰু পৰোৱাৰদিগাৰ সকলো যোগ্যতা তাৰ মাজত সীমাবদ্ধ। যদি তুমি ইমানখিনি নিজৰ মাজত সামৰি ল'ব পাৰিছা তেন্তে এয়াই হ'ল ন্যায় যাৰ দেখবাল কৰা তোমালোকৰ ওপৰত ফৰজ কৰা হৈছে। আকৌ যদি ইয়াতকৈ উন্নতি কৰিব বিচৰা তেন্তে আছে দয়া, সহানুভূতিৰ বাট আৰু সেয়া হ'ল এয়া যে তুমি তাৰ মহত্বৰ মাজত এনেকুৱা লীন হৈ যোৱা আৰু তাৰ আগত নিজৰ ইবাদতত এনেকুৱা মগ্ন হৈ যোৱা আৰু তাৰ প্ৰেমত এনেকুৱা বিভোৰ হোৱা যে যেনিবা তুমি তাৰ মহত্ব পৰাক্ৰম আৰু অনুপম সৌন্দৰ্য দেখিবলৈ পাইছা। ইয়াৰ পিছত আছে পৰহিতৈষী, আত্মীয়-স্বজনৰ প্ৰতি ভালপোৱাৰ বাট আৰু সেয়া হ'ল এয়া যে তোমাৰ উপাসনা,তোমাৰ প্ৰেম ভালপোৱা আৰু তোমাৰ আনুগত্যৰ মাজত অলপও কষ্ট আৰু গণনা নেথাকে আৰু তুমি তাক এনেকুৱা হৃদয়ৰ সম্পৰ্কেৰে মনত পেলাবা যে যেনিবা তুমি তোমাৰ দেউতাকক মনত পেলাই আছা আৰু তোমাৰ এই মৰম যেন এনেকুৱা হৈ যায় যেনেকৈ কেচুৱায় নিজৰ মাকক ভাল পায়।

আকৌ হুকুকুল ইবাদ সম্পৰ্কে এই আয়াতত যি নিৰ্দেশ আছে সেই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে নিজৰ ভাই আৰু মানৱ জাতিৰ সৈতে ন্যায় বিচাৰ কৰা আৰু নিজৰ অধিকাৰতকৈ বেছি সিহঁতৰ পৰা দাবী নকৰিবা আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত থাকিবা। যদি এইটো পৰ্যায়ৰ পৰা উন্নতি কৰি আগুৱাই যাব বিচৰা তেন্তে আগলৈ আছে দয়া, দানশীলতাৰ বাট আৰু এয়া হ'ল তুমি তোমাৰ ভায়েকৰ অপৰাধ,গোণাহ আদিৰ বিৰুদ্ধে নেকিৰ কাৰ্য্য কৰা। তাৰ দুখৰ সময়ত তাক লগ দিয়া আৰু দয়াৰে সৈতে তাৰ লগত থিয় দিয়া, ইয়াৰ পিছত আছে পৰহিতৈষীৰ বাট। ইয়াৰ অৰ্থ হ'ল তুমি যেনেকৈ নিজৰ ভায়েকৰ সৈতে নেকি কৰিবা আৰু যেনেকৈ মানৱ জাতিৰ বাবে কল্যাণ লৈ আনিবা তাতকৈ উত্তম পৰ্যায়ৰ দানশীলতা যেন আৰু নেথাকে। এনেকুৱা কাৰ্য্যত যেন তোমাৰ কোনো উদ্দেশ্য লুকাই নাথাকে। যেনেকৈ আত্মীয়তাৰ বান্ধনত এজনে আনজনৰ বাবে নেকিৰ কাৰ্য্য কৰে।

গতিকে এয়া হ'ল নৈতিকতাৰ আৰু চৰিত্ৰৰ শীৰ্ষতম পৰ্যায় যে সৃষ্টি জীৱৰ সৈতে সহানুভূতি আগবঢ়ালে তাত

যেন কোনো ধৰণৰ নিজৰ প্ৰবৃত্তিগত উদ্দেশ্য লুকাই নাথাকে; বৰং ইয়াৰ বিপৰীতে ভ্ৰাতৃত্ব, আত্মীয়তাৰ প্ৰবল আকৰ্ষণ জাহিৰ হ'ব লাগিব আৰু কোনো ধৰণৰ কষ্ট অনুভৱ নকৰি আৰু কাৰো শলাগ নিবিচাৰি একমাত্ৰ নেকি অৰ্জনৰ বাবে এটা আগ্ৰহ প্ৰকাশিত হ'ব লাগিব। আকৌ আন এঠাইত তেখেত (আঃ)য়ে কৈছে যে এই আয়াতৰ মাজত আল্লাহ তা'লা তিনিবাৰ মানৱীয় মাৰিফত বৰ্ণনা কৰিছে। ইয়াৰে তৃতীয় দফাত আপোনতে ভালপোৱাক মৰ্যাদা প্ৰদান কৰিছে আৰু এই মৰ্যদাত গৈ উপনীত হলে সকলো ধৰণৰ প্ৰবৃত্তিৰ ইচ্ছাৰ দহন হৈ যায় আৰু হৃদয় এনেকুৱা প্ৰেমৰে ভৰি পৰে যে যেনেকৈ সুগন্ধিৰ বটল এটা সুগন্ধৰে ভৰপুৰ হয়। এই আয়াতত সেইফালেও ইঙ্গিত বহন কৰে যে মোমিন লোক সকলৰ মাজত কিছুমান সেই লোক আছে যিসকলে আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে নিজকে বিক্ৰী কৰি দিয়ে আৰু খোদা এনে লোক সকলৰ ওপৰত দয়ালু হৈ পৰে।

কৈছে যে খোদা তোমালোকৰ পৰা কি বিচাৰে, একমাত্ৰ এয়াই বিচাৰে যে তোমালোকে মানৱৰ সৈতে নেকি কৰা, যিসকলে তোমাৰ সৈতে নেকি কৰা নাই। আকৌ ইয়াতকৈ বেছি হ'ল যে তোমালোকে খোদাৰ দৃষ্টি জীৱলৈ দয়ালু হোৱা, এনেকুৱা দয়ালু যে তুমি যেন সিহঁতৰ আত্মীয়-স্বজন। যেনেকৈ মাকে নিজৰ সন্তানৰ সৈতে আচৰণ কৰে কাৰণ দয়া কৰোঁতাজনে কেতিয়াবা নিজৰ দয়াৰ কথা সোঁৱৰাই দিয়ে কিন্তু মাকৰ দৰে প্ৰবৃত্তিক আগ্ৰহেৰে নেকি কৰি থাকে সি বা তাই কেতিয়াও নিজকে প্ৰকাশ নকৰে। গতিকে নেকি অৰ্জনৰ অন্তিম উপায় হ'ল যাৰ প্ৰবৃত্তিক আগ্ৰহ যিটো মাকৰ মাজত নিহিত থকা পোৱা যায়।

এই আয়াত কেৱল জীৱৰ সম্পৰ্কে নহয় বৰং এয়া খোদা তা'লাৰ সম্পৰ্কেও হয়। খোদাৰ সৈতে ন্যায় হ'ল এয়া যে তাৰ অনুগ্ৰহৰাজিৰ কথা মনত পেলাই তাৰ আনুগত্য কৰা আৰু খোদাৰ সৈতে দয়াৰ আচৰণ হ'ল এয়া যে তাৰ সত্তাৰ ওপৰত এনেকুৱা বিশ্বাস স্থাপন কৰা যে যেনিবা তাক দেখিবলৈ পাই আছা। আনহাতে খোদা তা'লাৰ সৈতে আত্মীয়তা হ'ল এয়া যে তাৰ ইবাদত যেন বেহেস্তৰ আশাত কৰা নহয় বা দোজখৰ ভয়ত নহয় বৰং যদি ফৰজ কৰা হয় যে না বেহেস্ত আছে না দোজখ আছে তথাপি যেন প্ৰেম ভালপোৱা আৰু আনুগত্যৰ মাজত কোনো তাৰতম্য নহয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে অমুছলিম সকলক ইছলামৰ শিক্ষা সম্পৰ্কে ব্যাখ্যা কৰোঁতে এই বিষয়টো কিছুমান ঠাইত বৰ্ণনা কৰিছে। এনেদৰে নিজৰ জামাতকও নচিহত কৰি বুজাইছে। এঠাইত তেখেত (আঃ)য়ে কৈছে যে ন্যায় বিচাৰৰ অৱস্থা হ'ল এয়া যে যিজন মুত্তাকীৰ অৱস্থা নফছে আম্মাৰাৰ আকাৰত থাকে সেই অৱস্থাৰ সংশোধনৰ নিমিত্তে ন্যায় অৱলম্বনৰ আদেশ দিছে। এই ক্ষেত্ৰত প্ৰাণ প্ৰবৃত্তিয়ে বিৰুদ্ধাচৰণ কৰিব লগা হয়। উদাহৰণ স্বৰূপে কাৰোবাৰ ঋণ পৰিশোধ কৰিব লগা আছে, তাত প্ৰবৃত্তিয়ে এয়া ইচ্ছা কৰে যে কেনেবাকৈ তাক দূৰত ৰাখে। মোৰ ইয়াতে পৰিতাপেৰে ক'ব লগা হৈছে যে কিছুমান লোকে এই বিষয়টোলৈ ভ্ৰূক্ষেপ নকৰে আৰু আমাৰ জামাতৰ ভিতৰতও এনেকুৱা মানুহ আছে, যিসকলে নিজৰ ঋণ পৰিশোধ কৰাৰ প্ৰতি কম মনোযোগ দিয়ে। এয়া ন্যায়ৰ পৰিপন্থী। আঁহজৰত (ছাঃ)য়ে এনে ধৰণৰ মানুহৰ নামাজ পঢ়োৱা নাছিল। গতিকে তোমালোকে প্ৰত্যেকেই বিষয়টো ভালদৰে মনত ৰাখিবা যে ঋণ পৰিশোধ কৰাত পলম কৰা উচিত নহয়। প্ৰত্যেক ধৰণৰ আমানতৰ খিয়ানত আৰু বেঈমানীৰ পৰা দূৰত থকা কৰ্তব্য। কাৰণ এইবোৰ ইলাহি আদেশৰ পৰিপন্থী।

কৈছে যে খোদা তা'লা এই সকলোবোৰ কল্যাণ লাভৰ উপায় সমূহ ঠাই আৰু সময়ৰ লগত সংমিশ্ৰণ কৰিছে আৰু উক্ত আয়াতত স্পষ্ট ভাৱে উল্লেখ কৰিছে যে যদি এই নেকিবোৰ নিজৰ নিজৰ ঠাই আৰু সময় মতে প্ৰকাশ কৰা নহয় তেন্তে এয়া পাপলৈ পৰিৱৰ্তিত হয়। ন্যায় অনাচাৰলৈ ৰূপান্তৰিত হয় অৰ্থাৎ সীমাৰ বাহিৰত গলে সীমালঙ্ঘন কৰিলে গোনাহৰ জন্ম হয় আৰু এনেদৰে অস্বীকাৰ কৰাৰ বাট উলিয়াই আহে। অৰ্থাৎ সেই অৱস্থা হয়

যাৰ দ্বাৰা প্ৰজ্ঞা অৱনমিত হয় আৰু আত্মীয়তাৰ সলনি মনোমালিন্য সৃষ্টি হয়। অৰ্থাৎ সময় সুযোগৰ বিপৰীত সহানুভূতিৰ আগ্ৰহে বেয়া পৰিৱেশ সৃষ্টি কৰে। আচলতে এই মনোমালিন্যক ধাৰাসাৰ বৰষুণৰ লগত তুলনা কৰা হৈছে। যিয়ে অতিমাত্ৰা হলে খেতিবাতি নষ্ট কৰে। ন্যায্য অধিকাৰত কম কৰিলে তাক হিংসাৰ বীজ বপন কৰা বুলি কোৱা হয়। গতিকে এই তিনিওটাৰ যিটোকেই পৰিৱেশ অনুযায়ী ব্যৱহাৰ কৰা নহয়, সেইটোৱেই বেয়া কথা হৈ পৰে। সেয়ে এই তিনিওটাৰ সৈতে সময় আৰু পৰিৱেশৰ চৰ্ত আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ লিখনী আৰু বৈঠক আদিত এই সম্পৰ্কে জোৰদাৰ আদেশ দিছে। গতিকে আমাৰ কৰ্তব্য হ'ল আল্লাহ তা'লাৰ সৈতে গঢ়া সম্পৰ্কৰ মান অৰ্জন কৰিবলৈ আৰু বান্দাৰ অধিকাৰ আদায় কৰিবলৈ এই উপদেশ অনুযায়ী আমল কৰাৰ চেষ্টা কৰা। আল্লাহ তা'লা আমাক এই নিৰ্দেশ অনুসৰি জীৱন অতিবাহিত কৰাৰ, ইবাদতৰ উচ্চ মান অৰ্জন কৰাৰ, হকুকুল ইবাদ, বিশেষকৈ পাৰস্পৰিক প্ৰেম ভালপোৱা জীয়াই ৰখাৰ তৌফিক দান কৰক। যাতে আমি জগতৰ আগত এটা দৃষ্টান্ত লিখিব পাৰো। এইবোৰ বিষয়ৰ ওপৰত আমল কৰি আমি যেন বয়াতৰ অধিকাৰ আদায় কৰোঁতা হ'ব পাৰো। প্ৰত্যেক জুমাৰ দিনা আমি এই কথাবোৰ শুনি ইয়াৰ ওপৰত আমি যেন আমল কৰোঁতা হ'ব পাৰো। নহলে আমাৰ আৰু বেলেগৰ মাজত কোনো পাৰ্থক্য নাথাকিব। আল্লাহ তা'লা আমাৰ আৰু বেলেগৰ মাজত এটা স্পষ্ট পাৰ্থক্য দেখুৱাই দিয়ক যেনেকৈ হজৰত মছীহ মাওউদ (আঃ)য়ে বেদনাসিক্ত হৃদয়েৰে প্ৰকাশ কৰিছে। শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে পাকিস্তানৰ উত্তাল পৰিস্থিতি সাম কাটিবলৈ দোৱা কৰিব। আমি নেকি বিস্তাৰ কৰিবলৈ নিজৰ কাম চলাই যাব লাগিব আৰু চয়তান চৰিত্ৰৰ লোক যি সকলৰ কাম হ'ল জুলুম অত্যাচাৰ কৰা, তেওঁলোকে সেয়াই কৰি থাকিব। সেইবিলাক চয়তানৰ বিৰুদ্ধে আমি চয়তানি ৰূপে কৰিবলগীয়া আমাৰ একো নাই। আমাৰ বাবে একমাত্ৰ আল্লাহ তা'লাৰ আদেশ অনুযায়ী চলাৰ উপায় আছে। সদায় এয়া দোৱা কৰিব যে আল্লাহ তা'লা আমাৰ ঈমান প্ৰতিষ্ঠিত ৰাখক। কেতিয়াও যেন আমালোকৰ ঈমান অৱনমিত নহয়। আল্লাহ তা'লাৰ সৈতে আমালোকৰ সেই সম্পৰ্ক গঠিত হওঁক যি আত্মীয়তাৰ সম্পৰ্ক হয়। আমি আল্লাহ তা'লাৰ কৃপাৰ দৃশ্য আগতকৈ বেছি দেখিবলৈ পাম। ইনশা আল্লাহ- আৰু যিবিলাক শত্ৰু আছে আল্লাহ তা'লাৰ দৃষ্টিত হয়তো সংশোধনৰ যোগ্য নহয় সেয়ে সিহঁতৰ ধ্বংস কাম্য। ইনশা আল্লাহ যেতিয়া এনে অৱস্থা হ'ব আৰু আল্লাহৰ সৈতে আমাৰ সম্পৰ্ক হ'ব তেতিয়া নিশ্চয় আমি শত্ৰুৰ ধ্বংসৰ দৃশ্য অৱলোকন কৰিম। ইনশা আল্লাহ-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰہ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844